(গ) প্ৰজন্মৰ ব্যৱধানে আনি দিয়া মানসিক নিঃসংগতা ‘ৰাপচী’ গল্পটোত কোনটো চৰিত্ৰৰ মাজেৰে, কেনেদৰে পৰিস্ফুট হৈছে, বৰ্ণনা কৰা।

(ঘ) ‘গান্ধী’ নামটোৱে কিদৰে প্ৰতীকাত্মক ৰূপত সামাজিক তাৎপৰ্য বহন কৰিছে, আলোচনা কৰা।

(ঙ) ‘নিৰ্মলা’ উপন্যাসত তদানীন্তন সমাজজীৱনৰ চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে, দেখুওৱা।

(চ) নিৰ্মলা চৰিত্ৰটোৰ মাজেৰে জীৱনৰ কাৰুণ্য কিদৰে পৰিস্ফুট হৈছে, বৰ্ণনা কৰা।

(ছ) ‘পথেৰ পাঁচালী’ উপন্যাসখন কেইটা আৰু কি কি পৰ্বত বিভক্ত? প্ৰতিটো পৰ্বৰ নামকৰণৰ তাৎপৰ্য বিশ্লেষণ কৰা।

(জ) সৰ্বজয়া আৰু ইন্দিৰ ঠাকৰুণ—এই দুটা চৰিত্ৰৰ যোগেদি জীৱন সংগ্ৰামৰ কঠোৰতা কিদৰে চিত্ৰিত হৈছে, আলোচনা কৰা।

★★★





M.L.C. LIBRARY G.L. CHOUDHURY COLLEGE

# 2023

## ASSAMESE

( Honours Core )

Paper : ASM–HC–4016

**( Tulanamulak Bharatiya Sahitya )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) কোনগৰাকী ব্যক্তিক তুলনামূলক সাহিত্যৰ বাটকটীয়া বুলি কোৱা হয়?

(খ) তুলনামূলক সাহিত্যৰ যি কোনো এটি শাখাৰ (school) নাম লিখা।

(গ) ‘Indian Progressive Writers’ Association’ কোন চনত প্ৰতিষ্ঠা কৰা হৈছিল?

(ঘ) প্ৰজ্বলিত চিতাৰ নীলা ৰঙৰ ধোঁৱাৰ মাজত কাঙালীৰ মাকে কিহৰ ছবি দেখিবলৈ পাইছিল?

(ঙ) গজাধৰ বাবুই ৰেল বিভাগত কিমান বছৰ চাকৰি কৰিছিল?

(চ) ‘গান্ধী’ গল্পটোত গান্ধীয়ে নিজৰ মৃত্যুৰ পাছত ক’ত কবৰ দিবলৈ কৈছিল ?

(ছ) নির্মলাৰ বিয়া প্রথমে কাৰ লগত ঠিক হৈছিল ?

(জ) তোতাৰামৰ প্রথম পক্ষৰ ডাঙৰ পুত্র মনসাৰামৰ কি ৰোগত মৃত্যু হৈছিল ?

(ঝ) অপুৰ মাকৰ নাম কি ?

(ঞ) বিভূতিভূষণ বন্দ্যোপাধ্যায়ৰ ‘পথের পাঁচালী’ উপন্যাসৰ আধাৰত কোনজন বঙালী চিত্র পৰিচালকে একে নামেৰে এখন চলচ্চিত্র নির্মাণ কৰিছিল ?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) কোনগৰাকী ব্যক্তিয়ে প্রথমে বিশ্বসাহিত্যৰ ধাৰণা ব্যক্ত কৰিছিল ? বিশ্বসাহিত্য বুজাবলৈ তেওঁ কোনটো শব্দ ব্যৱহাৰ কৰিছিল ?

(খ) কাৰ প্রচেষ্টাত, কোন চনত কলিকতা বিশ্ববিদ্যালয়ত আধুনিক ভাৰতীয় ভাষাবিভাগ প্রতিষ্ঠা কৰা হৈছিল ?

(গ) গজাধৰ বাবুৰ কন্যা বাসন্তী কি কথাত পিতৃৰ ওপৰত ক্ষুণ্ণ হৈছিল ?

(ঘ) অপুৰ সৰু টিনৰ বাকচটোত খেলৰ কি কি সামগ্রী আছিল ?

(ঙ) উদয়ভানু লালে মাজৰাতি নৈৰ পাৰলৈ কিয় ওলাই গৈছিল ?





৩। তলৰ যি কোনো চাৰিটা প্রশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ভাৰতীয় সাহিত্যৰ স্বৰূপ সম্পর্কে আলোচনা কৰা।

(খ) তুলনামূলক সাহিত্যৰ যি কোনো এটি শাখাৰ বিষয়ে বিৱৰি লিখা।

(গ) অভাগীক সৎকাৰ কৰাৰ উদ্দেশ্যে চোতালৰ গছজোপা কাটিবলৈ যাওঁতে কি পৰিস্থিতিৰ সৃষ্টি হৈছিল, বুজাই লিখা।

(ঘ) গান্ধীয়ে কেনেদৰে গাঁৱৰ প্রাথমিক স্বাস্থ্যকেন্দ্রত উপস্থিত হৈ ডাক্তৰক দেখুৱাবলগীয়া হৈছিল, বর্ণনা কৰা।

(ঙ) চাকৰিৰ পৰা অৱসৰ পোৱাৰ পাছত গজাধৰ বাবুৱে স্বগৃহত কেনে অভিজ্ঞতা লাভ কৰিছিল, বিৱৰি লিখা।

(চ) ‘নির্মলা’ উপন্যাসত তথাকথিত শিক্ষিত সমাজৰ প্রতিনিধিৰূপে ভালচন্দ্রৰ চৰিত্রটো কিদৰে অংকন কৰা হৈছে, লিখা।

৪। তলৰ যি কোনো চাৰিটা প্রশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) তুলনামূলক সাহিত্যৰ উৎপত্তি ক’ত হৈছিল আৰু বিষয়টোৱে কেনেদৰে বিকাশ লাভ কৰিছিল, আলোচনা কৰা।

(খ) ‘অভাগীৰ স্বর্গ’ গল্পটোৰ মাজেৰে সামাজিক অসমতাৰ ছবি কিদৰে প্রতিফলিত হৈছে, দেখুওৱা।